# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 27-03-2026
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

০০০০০০০

ৰাজ্যৰ আসন্ন বিধান সভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহ্বাৰৰ কালি অন্তিম দিনা ৬৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহ্বাৰ কৰে। ইয়াৰ লগে লগে এইবাৰৰ নিৰ্বাচনত মুঠ ৭২২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হোৱাটো নিশ্চিত হয়। ইয়াৰ পূৰ্বে মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত ৭৮৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছিল।

ইপিনে, বিধি বলৱৎকাৰী সংস্থাসমূহে মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ উদ্দেশ্যে ৰাজ্যৰ বিভিন্ন স্থানত অভিযান তীব্ৰতৰ কৰি তুলিছে। এই সংস্থাসমূহে ১৫ৰ পৰা ২৬ মাৰ্চলৈ চলোৱা অভিযানত নগদ ধন, সুৰা, মাদক দ্ৰব্য আৰু মূল্যৱান ধাতুসহ ৩৭ কোটিৰো অধিক টকা মূল্যৰ সামগ্ৰী জব্দ কৰিছে।

০০০০০০০

দেশৰ পেট্ৰ'লিয়াম আৰু ৰন্ধন গেছ যোগান সম্পূৰ্ণৰূপে নিৰাপদ আৰু নিয়ন্ত্ৰণত আছে বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে পুনৰ প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে সদৰি কৰা মতে সকলো খুচুৰা  বিপনীত পৰ্যাপ্ত পৰিমাণে ইন্ধন মজুত আছে আৰু দেশৰ কোনো ঠাইত পেট্ৰল, ডিজেল বা ৰন্ধন গেছৰ নাটনি হোৱা নাই। মন্ত্ৰালয়ে লগতে অযথা ত্ৰাস সৃষ্টিৰ উদ্দেশ্যপ্ৰণোদিতভাৱে বিয়পিওৱা উৰা বাতৰিত পতিয়ণ নাযাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। দেশৰ প্ৰতিটো শোধনাগাৰে ১০০ শতাংশ সাৰ্মথ্যৰে কাম কৰি আছে বুলি উল্লেখ কৰি মন্ত্ৰালয়ে দেশৰ মুঠ মজুতকৰণ সাৰ্মথ্য ৭৪ দিনৰ আৰু সম্প্ৰতি প্ৰায় ৬০ দিনৰ বাবে ইন্ধন মজুত আছে বুলি জানিবলৈ দিয়ে। দেশৰ কোনো ঠাইতে ৰন্ধন গেছৰ নাটনি হোৱা নাই বুলিও মন্ত্ৰালয়ে জানিবলৈ দিয়ে। ঘৰুৱা শোধনাগাৰৰ উৎপাদন ৪০ শতাংশ বৃদ্ধি কৰা হৈছে আৰু দৈনিক ৬০ হাজাৰ মেট্ৰিকটন ৰন্ধন গেছ উৎপাদন কৰা হৈছে। এই পৰিমাণ দেশৰ আৱশ্যকতাৰ ৬০ শতাংশৰো অধিক।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সৰ্থেবাৰী, বজালী আৰু মঙলদৈত প্ৰচাৰ সভাত অংশ লয়।

কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে কালি যোৰহাট জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। ডিব্ৰুগড়ৰ খোৱাং সমষ্টিত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰিণ জ্যোতি গগৈয়ে কালি প্ৰচাৰ চলায়। ধেমাজিত কংগ্ৰেছ প্ৰাৰ্থী শৈলেন সোণোৱালে অসম জাতীয় পৰিষদৰ চিত্তৰঞ্জন বসুমতাৰীৰ সৈতে এটা ৰোড শ্বত অংশ লয়।

উল্লেখযোগ্য যে, বিজেপি, এজিপি আৰু কংগ্ৰেছে প্ৰচাৰৰ বাবে ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১, ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী সভাত অংশ ল'ব। কাইলৈ আৰু পৰহিলৈ গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ কথা। একেদৰে ২৯ আৰু ৩০ মাৰ্চত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কেইবাখনো নিৰ্বাচনী সভাত অংশ ল'ব বুলি জানিব পৰা গৈছে।

কংগ্ৰেছেও কেইবাগৰাকী তাৰকা-প্ৰচাৰকৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশ, শচীন পাইলট, ভূপেশ বাঘেলকে ধৰি ভালেসংখ্যক জ্যেষ্ঠ নেতাই ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

আম আদমী পাৰ্টিয়েও কালি তাৰকা প্ৰচাৰকৰ তালিকা প্ৰকাশ কৰিছে। আপৰ নেতা অৰবিন্দ কেজৰিৱাল, মনীষ চিচ'ডিয়া, ভগৱন্ত সিং মান, আটিশীকে ধৰি ৪০ জন তাৰকা প্ৰচাৰকে দলটোৰ হৈ ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

আসন্ন নিৰ্বাচন নিয়াৰীকৈ আৰু শান্তিপূৰ্ণভাৱে পৰিচালনা কৰিবলৈ বিভিন্ন জিলা প্ৰশাসনে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ লগতে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিয়োগ কৰা নিৰক্ষীণকাৰী দল আৰু ফ্লায়িং স্কোৱাডে অভিযান অব্যাহত ৰাখিছে। ডিব্ৰুগড় জিলাৰ খোৱাং-ডিব্ৰুগড় আৰু চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ বাবে নিয়োজিত ব্যয় পৰ্য্যবেক্ষক আদৰ্শ তিৱাৰীয়ে কালি সমষ্টি পৰিদৰ্শন কৰে। তেওঁ দলৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে নিৰ্বাচনী কাম-কাজ সমূহৰ বুজ লয়। নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকাকৈ সম্পন্ন কৰাৰ স্বাৰ্থত তেওঁ সকলোকে নিষ্ঠা আৰু সততাৰে কাম কৰি যাবলৈ উৎসাহিত কৰে।

মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু বিশেষ শাখাৰ উপ-আৰক্ষী অধীক্ষকে কালি জিলাখনৰ বিভিন্ন ভোটকেন্দ্ৰ পৰিদৰ্শন কৰি প্ৰস্তুতিৰ পৰ্যালোচনা কৰাৰ উপৰি নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন হোৱাটো নিশ্চিত কৰে।

সমাগত নিৰ্বাচনৰ বাবে নিয়োজিত বিশেষ পৰ্যবেক্ষক মনজিৎ সিঙে কালি শিৱসাগৰ জিলাত নিৰ্বাচন সংক্ৰান্তীয় এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। শ্ৰীসিঙে বৈঠকত শিৱসাগৰ আৰু চৰাইদেউ জিলাত বিধানসভা নিৰ্বাচন সন্দৰ্ভত গ্ৰহণ কৰা সামগ্ৰিক প্ৰস্তুতিমূলক ব্যৱস্থাৰ বিষয়ে বিস্তৃতভাৱে বুজ লয়। এই বৈঠকত শিৱসাগৰ জিলাৰ বাবে নিয়োজিত সাধাৰণ পৰ্যবেক্ষক এন টি এল ৰেড্ডি, ব্যয় পৰ্যবেক্ষক বি ব্ৰহ্মবিদ্যা, আৰক্ষী পৰ্যবেক্ষক প্ৰশান্ত বৰ্মা, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ আয়ুক্ত মৃদুল যাদৱ আৰু নেহা যাদৱকে ধৰি ভালেমান বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**